# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত বাৰ্ষিক সাংস্কৃতিক মহোৎসৱ **বিৱিধা কা অমৃত মহোৎসৱ** মুকলি কৰে।

২।	কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনি আৰু উদ্যোগসমূহৰ সমানে জনসাধাৰণ, দেশৰ অৰ্থনীতি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত কৰিবলগীয়া বিনিয়োগত সমানে গুৰুত্ব দি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

৩।	কেন্দ্ৰীয় চৰকাৰে চোণপ্ৰয়াগৰ পৰা কেডাৰনাথলৈ প্ৰায় তেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰ'পৱে বিকশাই তোলাৰ বাবে অনুমোদন জনাইছে।

৪।	২০২১ বৰ্ষৰ আগষ্ট মাহত কাবুল বিমান বন্দৰত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত জড়িত সন্ত্ৰাসবাদীকেইজনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে।

*আৰু*

৫।	পাকিস্তানৰ লাহোৰত চলি থকা পুৰুষৰ আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।০০০০০০০

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত বাৰ্ষিক সাংস্কৃতিক মহোৎসৱ **বিৱিধা কা অমৃত মহোৎসৱ** মুকলি কৰে। এই উৎসৱৰ জৰিয়তে ভাৰতৰ বিভিন্ন প্ৰান্তৰ একক অথচ ভিন্নধৰ্মী ঐতিহ্য প্ৰদৰ্শন কৰা হয়। এই মহোৎসৱৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰপতি ভৱনত সাংস্কৃতিক বিনিময়ৰ পৰিৱেশ গঢ়ি তোলা যাতে ভাৰতৰ বাৰেৰহণীয়া ঐতিহ্যক জনসাধাৰণৰ কাষ চপাই আনিব পৰা যায়। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে যে, এই মহোৎসৱত ৫০০তকৈও অধিক শিল্পী আৰু বোৱনীয়ে অংশগ্ৰহণ কৰি স্বনিৰ্মিত হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী প্ৰদৰ্শন কৰিব। কাইলৈৰ পৰা এই মাহৰ ৯ তাৰিখলৈকে অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত কাঞ্জিৰৰম আৰু কাছাৱু শাৰী, পোছাম্প'লী ইকাট, মাইচ'ৰ ছিল্কৰ হস্ততাঁত সামগ্ৰীৰ লগতে কাঠেৰে নিৰ্মিত বিভিন্ন সামগ্ৰী ৰখা হ'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনি আৰু উদ্যোগসমূহৰ সমানে জনসাধাৰণ, দেশৰ অৰ্থনীতি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত কৰিবলগীয়া বিনিয়োগত সমানে গুৰুত্ব দি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। ভি ডি অ' কনফাৰেন্সিঙৰ মাধ্যমেৰে বাজেট অধিৱেশনৰ পাছৰ নিয়োগ সম্পৰ্কীয় এখন ৱেবিনাৰত ভাগ লৈ মোদীয়ে কয়, যে ব্যক্তিকেন্দ্ৰিক বিনিয়োগ - শিক্ষা, কৌশল আৰু স্বাস্থ্যখণ্ড - এই তিনিটা স্তম্ভৰ ওপৰত নিৰ্ভৰশীল। তেওঁ কয়, যে ভাৰতৰ শিক্ষা ব্যৱস্থা কেইবা দশকৰ পাছত কিদৰে পৰিৱৰ্তনৰ দিশে আগবাঢ়ি গৈছে, সেয়া সকলোৱে দেখা পাইছে। তেওঁ লগতে কয়, যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত টেলি মেডিচিন সুবিধাৰ সম্প্ৰসাৰণ কৰা হৈছে। চৰকাৰে দিনৰ ভাগত কৰ্কট ৰোগৰ চিকিৎসা সেৱা আগবঢ়োৱা কেন্দ্ৰ আৰু ডিজিটেল ব্যৱস্থাৰ স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনিৰ জৰিয়তে জনসাধাৰণক গুণগত স্বাস্থ্য ব্যৱস্থা অন্তিম পৰ্য্যায়লৈকে আগবঢ়োৱাৰ কথাও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে জনসাধাৰণ অৰ্থনীতি আৰু উদ্ভাৱন সম্পৰ্কীয় ৱেবিনাৰখনৰ বিষয়সমূহে বিকশিত ভাৰতৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ কথাকে সূচাইছে। এইবাৰৰ বাজেটত দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটনক প্ৰচাৰ কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে দেশৰ ভিতৰৰ ৫০ টা অঞ্চলক পৰ্য্যটনৰ ক্ষেত্ৰত বিকশাই তোলা হ'ব। ইয়াৰ লগতে এই অঞ্চলসমূহত থকা হোটেলসমূহেও পৰ্য্যটনৰ ক্ষেত্ৰত বহুখিনি সুবিধা প্ৰদান কৰিব পাৰিব আৰু স্থানীয় স্তৰত নিয়োগ ব্যৱস্থাৰ উন্নয়ন ক্ষীপ্ৰতৰ হৈ পৰিব। শ্ৰীমোদীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষমতাক উন্নত কৰি তুলিবলৈ ভাৰতে বহুকেইটা ভাষা সামৰি  এটা বৃহৎ আৰ্হি প্ৰস্তুত কৰি উলিয়াব। ইয়াৰ লগতে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে সমগ্ৰ পৃথিৱীতকৈ এখোজ আগবাঢ়ি থাকিব লাগিব বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ষ্টাৰ্ট-আপসমূহৰ প্ৰচাৰৰ বাবে এইবাৰৰ বাজেটত কেইবাটাও উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। তেওঁ লগতে গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত মূলধনী পুঁজি হিচাপে ১ লাখ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ জনায় যে, প্ৰযুক্তিগত পুঁজিৰ বিনিয়োগৰ জৰিয়তে উদীয়মান ক্ষেত্ৰসমূহৰ বাবে বিনিয়োগৰ পুঁজি বৃদ্ধি পাব। তেওঁ কয়, যে জ্ঞান ভাৰতম অভিযানৰ জৰিয়তে ভাৰতৰ ১ কোটিতকৈও অধিক চহকী পাণ্ডুলিপি ডিজিটীয় ব্যৱস্থাৰে সংৰক্ষিত কৰি এটা ৰাষ্ট্ৰীয় ডিজিটেল ভঁৰাল গঢ়ি তোলা হ'ব। এই ডিজিটেল ভঁৰালৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পণ্ডিত আৰু গৱেষকসকলে ভাৰতৰ ঐতিহাসিক আৰু পৰম্পৰাগত তথ্যসমূহ লাভ কৰিব পাৰিব। প্ৰধানমন্ত্ৰীয়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে জিনৰ উৎস আৰু খাদ্যৰ সুৰক্ষা নিশ্চিত কৰিব পৰাকৈ এটা ৰাষ্ট্ৰীয় জিন বেংক গঢ়ি তোলাৰ কথাও উল্লেখ কৰে।

০০০০০

তৃণমূল পৰ্য্যায়ত চৰকাৰী আঁচনিসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গ্ৰাম পঞ্চায়তৰ প্ৰতিনিধিসকল মূল স্তম্ভ বুলি পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰফেচাৰ এছ্ পি সিং বাঘেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি আয়োজিত এখন ৰাষ্ট্ৰীয় অভিৱৰ্তনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ আদৰ্শ মহিলা বান্ধৱ গাঁও পঞ্চায়ত উদ্যম মুকলি কৰি মন্ত্ৰীগৰাকীয়ে পঞ্চায়তৰ কাম-কাজসমূহ কেনে ধৰণে কৰা হয় সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁ পঞ্চায়তৰ সকলো প্ৰতিনিধিক কাম-কাজ কৰাৰ সময়ত নীতি-নিয়ম মানি চলাৰ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে চৰকাৰে বিকাশৰ ধাৰণা সলনি কৰিছে। তেওঁ লগতে কয়, যে এতিয়া মহিলাৰ নেতৃত্বৰ বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু, যিয়ে ২০৪৭

চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব। বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা কোষৰ লেখিয়া আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে এই এদিনীয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে চোণপ্ৰয়াগৰ পৰা কেডাৰনাথলৈ প্ৰায় তেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰ'পৱে বিকশাই তোলাৰ বাবে অনুমোদন জনাইছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই প্ৰকল্পত ৪ হাজাৰ কোটিতকৈও অধিক ধন ব্যয় হ'ব। তেওঁ লগতে প্ৰকাশ কৰে যে, এই ৰ'পৱেৰ ফলত তীৰ্থস্থানলৈ যোৱা পথৰ সময় ৮-৯ ঘণ্টাৰ পৰা ৩৬ মিনিটলৈ হ্ৰাস পাব। তেওঁ কয়, যে এই প্ৰকল্পৰ ফলত দিব্যাংগ আৰু জ্যেষ্ঠ লোকসকলক যথেষ্ট সুবিধা হ'ব। শ্ৰীবৈষ্ণৱে লগতে হেমকুণ্ড চাহিব ৰ'পৱেও বিকশাই তোলা হ'ব বুলি জানিবলৈ দিয়ে। দুহেজাৰ ৭৩০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ৰ'পৱেৰ দৈৰ্ঘ্য হ'ব ১২ দশমিক ৪ কিলোমিটাৰ। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে পশুধনৰ স্বাস্থ্য আৰু ৰোগ প্ৰতিৰোধৰ বাবে ৩ হাজাৰ ৮৮০ কোটি টকা ধাৰ্য্য কৰিছে। টীকাকৰণ এই কাৰ্য্যসূচীৰ মূল বিষয়, যিয়ে কৃষকসকলক যথেষ্ট সহায় কৰিব। তেওঁ কয়, যে পশু ঔষধিৰ জৰিয়তে পশুধনৰ বাবে উন্নত মানৰ আৰু সহজলভ্য জেনেৰিক ঔষধ যোগান ধৰা হ'ব।

০০০০০

নীতি আয়োগে আজি নতুন দিল্লীত কোৱাণ্টাম কম্পিউটিঙৰ দ্ৰুত বিকাশ ৰাষ্ট্ৰীয় নিৰাপত্তাত ইযাৰ প্ৰভাৱ সম্পৰ্কে এখন কৌশলগত নথি মুকলি কৰে। নীতি ফ্ৰন্টিয়াৰ টেক হাবে ভাৰতীয় তথ্য সুৰক্ষা পৰিষদৰ সহযোগত দেশৰ ফ্ৰন্টিয়াৰ টেক নেচনৰ দ্ৰুত পৰিৱৰ্তনৰ উদ্দেশ্যে এই নথি মুকলি কৰা হৈছে। নথি মুকলি কৰি নীতি আয়োগৰ মুখ্য কাৰ্য্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যমে সক্ৰিয়ভাৱে আঁকোৱালি লোৱাৰ বাবে নতুন প্ৰযুক্তি ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

২০২১ বৰ্ষৰ আগষ্ট মাহত কাবুল বিমান বন্দৰত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত জড়িত সন্ত্ৰাসবাদীকেইজনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিচাৰৰ বাবে সন্ত্ৰাসবাদীকেইজনক আমেৰিকালৈ নিয়া হৈছে। শ্ৰীট্ৰাম্পে কয়, যে এবি গেটত সংঘটিত আক্ৰমণৰ বাবে ইছলামিক ষ্টেটৰ সন্ত্ৰাসবাদী দায়ী। এই আক্ৰমণত আফগানিস্তানৰ পৰা উভতি অহাৰ সময়ত আমেৰিকাৰ সেনাৰ ১৩ গৰাকী জোৱানৰ লগতে আন কেইবাগৰাকীও লোকৰ মৃত্যু হৈছিল। কংগ্ৰেছত দিয়া নিজৰ দ্বিতীয় কাৰ্য্যকালৰ প্ৰথমটো ভাষণত শ্ৰীট্ৰাম্পে এই পদক্ষেপক মৌলবাদী সন্ত্ৰাসবাদৰ বিৰুদ্ধে আমেৰিকাৰ নতুন শক্তিৰ হুংকাৰ বুলি উল্লেখ কৰে।

০০০০০

কিংবদন্তি ভাৰতীয় টেবুল টেনিছ খেলুৱৈ এ শৰথ কমলে চলিত মাহৰ শেষৰ ভাগত অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। সুদীৰ্ঘ ২২ বছৰ টেবুল টেনিছত উৎকৃষ্ট খেল প্ৰদৰ্শন কৰাৰ পাছত খেলুৱৈগৰাকীয়ে অৱসৰৰ কথা ঘোষণা কৰে। অহা ২৫ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈ চেন্নাইত বিশ্ব টেবুল টেনিছ খেলুৱৈৰ উপস্থিতিত হ'বলগীয়া প্ৰতিযোগিতাত শ্ৰীকমলে শেষবাৰৰ বাবে ভাগ ল'ব। খেলুৱৈগৰাকীয়ে কমনৱেলথ গেমছত ৭ টা সোণৰ পদক, এছিয়ান গেমছত দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে পাঁচবাৰ অলিম্পিক প্ৰতিযোগিতাত ভাগ লৈছে।

০০০০০

পাকিস্তানৰ লাহোৰত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে  বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ছটা উইকেট হেৰুৱাই ৩৬২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ৰছিন ৰবীন্দ্ৰই সৰ্বাধিক ১০৮  ৰাণ কৰে। কেন উইলিয়ামছনে ১০২ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিডিয়ে তিনিটা আৰু কাগিছো ৰাবাডাই এটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহাৰ পৰলৈকে ৫ অভাৰত ১টা উইকেট হেৰুৱাই ২৪ ৰাণ সংগ্ৰহ কৰিছে। আজিৰ খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে হ'বলগীয়া ফাইনেলত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

জামছেদপুৰত আজি খন্তেক পাছত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত জামছেদপুৰ ফুটবল ক্লাব ওড়িশাৰ সন্মুখীন হ'ব।

গোৱাই যোৱা নিশা জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মহম্মদান স্পোৰ্টিছ ক্লাবক ২-০ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে গোৱা আৰু মোহন বাগান ছুপাৰ জায়েণ্টে ইতিমধ্যে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

সমাপ্ত